দিনাংক- ২৫ এপ্ৰিল ২০১৪

## অভিযানসূচী- ২৫ এপ্ৰিল ২০১৪

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা

বানাৰসত নৰেন্দ্ৰ মোদীয়ে মনোনয়ন পত্ৰ দাখিল কৰাৰ পূৰ্বে হোৱা ৰ'ড শ্ব'ত অংশগ্ৰহণ কৰা জনসমুদ্ৰ তেওঁৰ মনোনয়ন পত্ৰ দাখিল কৰাৰ সাক্ষী হৈ ৰ'ল । ইয়াৰ পূৰ্বে এনে ৰ'ড শ্ব' কেতিয়াও দেখা পোৱা যোৱা নাই । ইমান বিশাল জনসমুদ্ৰ কেতিয়াও সংগঠিত কৰিব নোৱাৰি । ইয়াৰ বাবে তেওঁলোক নিজেই প্ৰেৰিত হ'ব লাগিব । সমৰ্থন কৰা দলৰ ভিতৰত কেৱল ৰাজনৈতিক কাৰ্য্যকৰ্ত্তাহে থাকে কিন্তু যেতিয়া বিশাল জনসমাগম হয়, ই জনতাৰ স্বত:স্ফুৰ্ত্ততা দেখুৱায় ।

মোদীৰ বিশাল সমৰ্থনৰ প্ৰতিক্ৰিয়া হিচাপে প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁ হেনো দেশৰ ভিতৰত কোনো মোদীৰ টৌ দেখা নাই । এতিয়ালৈকে মোদীয়ে ভাৰতৰ বিভিন্ন ঠাইত ৪০০ তকৈও অধিক সভা সম্বোধন কৰিছে । এনে সভাত জনগণৰ উপস্থিতি অভাৱনীয় । যি দ্বৰে বিজেপি ৰ কাৰ্য্যকৰ্ত্তা আৰু সমৰ্থকসকলে এই অভিযানত সহযোগ কৰিছে, এইয়া তেওঁলোকৰ প্ৰেৰণামূলক আচৰণ দেখুৱাইছে । ভাল গভৰ্নেন্স আৰু উত্তেজনাময় পৰিবেশক নেওচি ইয়ক লৈ স্থিৰ হৈ থক নৰেন্দ্ৰ মোদীৰ সাহস ব্যাখা কৰিবলগীয়া । পূৱ, মধ্য আৰু পশ্চিম ভাৰতৰ বিভিন্ন ঠাইত বিজেপি ৰ ব বহুতো সমৰ্থক আছে । এনে অঞ্চলত মোদীৰ টৌ দেখা যাৰ বুলি ভৱা হৈছিল । তেওঁৰ ইমান ভাল গুণৰ বাবেহে পূৱ আৰু দক্ষিন ভাৰতত বিজেপি য়ে ভোটৰ সংখ্যা বৃদ্ধি কৰোৱাত সক্ষম হ'ব ।

ইয়াৰ বিপৰীতে গান্ধী পৰিয়াল স্থিৰ হৈ আছে । এইয়া প্ৰথম বাৰ পৰিলক্ষিত হৈছে য'ত এখন চলিত চৰকাৰে নিজৰ কৰণীয় খিনি দেখুৱাৰ বিপৰীতে আনৰ বেয়া সমালোচনাৰে অভিযান চলাইছে । যেতিয়া দেশৰ জনসাধাৰণে কংগ্ৰেছ শাসনৰ দূৰ্নীতিৰ ওপৰত তৰ্ক কৰিছে সেই সময়ত গান্ধী পৰিয়াল তেওঁলোকৰ পদাধিকাৰীয়ে, দূৰ্নীতিত লিপ্ত হোৱা লোকক আক্ৰমণ কৰিছে । ইতিহাসত এইয়া প্ৰথম বাৰ হৈছে যে শাসকীয় দলে নিজৰ অসফলতাৰ বাবে বিৰোধী দলক দায়ী কৰিছে । তেওঁলোকৰ এই ৰণনীতিয়েও কাম নকৰিলে । প্ৰধানমন্ত্ৰী ড: মনমোহন সিঙৰ চকুৰ বেমাৰ হৈছে বাবেহে ছাগে মোদীৰ টৌ দেখা পোৱা নাই, নে তেওঁ দেখিও মানি ল'ব খোজা নাই । এইবাৰৰ নিৰ্বাচনৰ দুটা প্ৰৱণতা আছে । প্ৰথম্টো হৈছে কংগ্ৰেছ আৰু ইউ পি এ চৰকাৰৰ বিৰুদ্ধে দূৰ্নীতি আৰু কেলেংকাৰীৰ অভিযোগ । এনে অভিযোগৰ মূল কাৰণ হৈছে তেওঁলোকৰ অসফল নেতৃত্ব । অৰ্থাৎ এনে নিৰ্বাচনী প্ৰতিক্ৰিয়াৰ বাবে অসফল নেতৃত্বই মূল

কাৰণ । ভাৰতৰ জনসাধাৰণে সমস্যাৰ সমাধান কৰিব’লৈ মোদীৰ ভিতৰত আশাৰ ৰেঙনি দেখিছে । এনে প্ৰতিক্ৰিয়াৰ সমাগমে দেশৰ জনসাধাৰণৰ মোদীক প্ৰধানমন্ত্ৰী হোৱা আশাক শক্তিশালী কৰিছে । কংগ্ৰেছৰ নেতৃত্বই এইয়া দেখি হতাশাত ভূগিছে । চিদাম্বৰম, চিব্বল, তীৱাৰী, আনন্দ শৰ্মাই নিজকে দোষী কৰিব লাগে যে তেওঁলোকে মোদীৰ বিৰুদ্ধে ব্যৱহাৰ কৰা কঠোৰ আৰু অনৈতিক ভাষাই মোদীক সহায়হে কৰিছে ।

**পঞ্জাৱত শ্ৰীযুত নৰেন্দ্ৰ মোদী**

আজি পঞ্জাৱত শ্ৰীযুত নৰেন্দ্ৰ মোদীয়ে ৫ খনকৈ সভা সম্বোধন কৰিব । তেওঁ গুৰদাসপুৰ, ভতিণ্ডা, হোচীয়াৰপূৰ, লুধিয়ানা আৰু অমৃতস্বৰ সংসদীয় সমষ্টিত ভ্ৰমণ কৰি বিজেপি ৰ প্ৰচাৰ অভিযান কৰিব । পঞ্জাৱৰ জনসাধাৰণে নৰেন্দ্ৰ মোদীৰ অধিৰ অপেক্ষাৰে অপেক্ষা কৰিছে ।